# সাম্প্ৰদায়িক হিংসাৰ বিধেয়ক পৰিচয় কৰোৱাক লৈ মোৰ বিৰোদ্ধাস্থিতি

**দিনাংক- ৫ ফেব্ৰুৱাৰী ২০১৪**

অৰুণ জেটলী
ৰাজ্যসভাৰ বিৰোধী দ'লৰ নেতা

আজি গৃহমন্ত্ৰী শ্ৰীযুত সুশীল কুমাৰ চিন্দেয়ে সদনৰ পৰা অনুমতি লৈ সাম্প্ৰদায়িক হিংসা ৰোধ কৰা বিধেয়ক (এক্সেছ টু জাষ্টিছ এণ্ড ৰিপাৰেছন্চ) বিধেয়ক ২০১৪ আনিব বিচাৰিছিলে । এনে বিধেয়ক বলবৎ কৰাৰ ক্ষেত্ৰত সংসদীয় বিধায়কৰ সমৰ্থতাৰ অভাৱৰ বাবে মই এই বিধেয়কৰ পৰিচয়ত বাধা প্ৰদান কৰিছো । সংবিধানৰ ৭ নং অনুসূচীত অন্তৰ্ভূক্ত বিধায়কী প্ৰৱিষ্টিৰ ভিত্তিত মই এই বিৰোধিতা কৰিছো । ৭ নং অনুসূচীৰ ২ নং তালিকা হৈছে ৰাজ্যিক তালিকা । ১ নং প্ৰৱিষ্টি হৈছে ৰাজহুৱা আদেশ, ২ নং প্ৰৱিষ্টি হৈছে আৰক্ষী আৰু ৪১ নং প্ৰৱিষ্টি হৈছে ৰাজ্যৰ চৰকাৰী চাকৰি । এই সকলো বিষয় একমাত্ৰ ৰাজ্যৰ শাসনাধীন । কেন্দ্ৰীয় বিধায়কৰ এনে বিষয়ৰ ওপৰত বিধেয়ক বলবৎ কৰাৰ সামৰ্থতা নাই ।

প্ৰস্তাৱিত বিধেয়কে অপৰাধৰ নতুন শিতানৰ সৃষ্টি কৰিব । ই অস্থিৰ অঞ্চলসমূহ চিহ্নিত কৰি ঘোষনা কৰিব । এই বিধেয়কক সাম্প্ৰদায়িক হিংসাৰ কাৰ্য্য ৰোধ কৰাৰ বাবে লবলগীয়া পদক্ষেপৰ পৰামৰ্শ দিব । ৰাজহুৱা ব্যৱস্থা বজাই ৰখাৰ বাবে ইয়াত এক অধ্যায় আছে । ইয়াৰ পাছত ই ক্ষতিপূৰণৰ ব্যৱস্থা আৰু ৰাজ্য চৰকাৰৰ বিষয়াৰ বিৰুদ্ধে ল'বলগীয়া কাৰ্য্য আৰু তেওঁলোকৰ ওপৰত দণ্ড আৰূপ কৰাৰ বিষয়ে উল্লেখ কৰিছে । এই সকলো বিষয় ৰাজ্যিক কাৰ্য্যৱাহী ক্ষেত্ৰত অন্তৰ্ভূক্ত । কেন্দ্ৰীয় আইন মন্ত্ৰীয়ে প্ৰতিক্ৰিয়া দিছিল যে এই সকলো বিষয় ৰাজ্যিক কাৰ্য্যৱাহী বিষয়াৰ ক্ষমতাধীন হৈ থকা পৰ্য্যন্ত যুক্তৰাষ্ট্ৰৰ ক্ষেত্ৰত কোনো ভাৱুকি নাই । মোৰ প্ৰতিক্ৰিয়া আছিল যে বিধায়কী ক্ষমতা আৰু কাৰ্য্যৱাহী ক্ষমতাৰ মাজত বহুত পাৰ্থক্য আছে । বিধায়কী ক্ষমতা মানে হ'ল আইন প্ৰণয়ণ কৰাৰ ক্ষমতা । কাৰ্য্যৱাহী ক্ষমতা হ'ল বিধায়কী ক্ষমতাৰ অন্তৰ্ভূক্ত যি জৰুৰী পদক্ষেপ চলাই নিয়ে । বিধায়কৰ সামৰ্থৰ অভাৱৰ ভিত্তিত মোৰ এই বিৰোদ্ধাস্থিতি । এই আইন নিৰ্মাণ কৰি কেন্দ্ৰ চৰকাৰে ক'ব নোৱাৰে যে ৰাজ্যিক বিষয়াক, তেওঁলোকে ক্ষমতা প্ৰদান কৰিছে, যিহেতু ২ নং তালিকাৰ ১, ২ আৰু ৪১ নং প্ৰৱিষ্টিয়ে প্ৰথম অৱস্থাতে কয় যে এনে ক্ষমতা কেন্দ্ৰৰ অন্তৰ্ভূক্ত নহয় । আনকি সকলো বিৰোধী দ'লে বি জে পি য়ে লোৱা এই ধাৰণাক সমৰ্থন আগবঢ়াইছে । এই বিধেয়কক জন্মৰ অৱস্থালৈ ঘূৰাই পঠোৱাৰ সিদ্ধান্ত শুদ্ধৱেই আছিল ।